# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

রাজ্যৰ দুগ্ধ প্র-সংস্কৰণ প্রকল্পত গাখীৰ যোগান ধৰা গো-পালকসকললৈ ৰাজ সাহায্য প্রদান কার্যসূচীৰ আজি শুভাৰম্ভণি  কৰা হয়। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্রীমন্ত শংকৰদেৱ আন্তর্জাতিক প্রেক্ষাগৃহত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্রী ডং হিমন্ত বিশ্ব শর্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে পশু পালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্রী কৃষ্ণেন্দু পাল আৰু সমবায় মন্ত্রী যোগেন মহন উপস্থিত থাকে। একেদৰে আজি পাঞ্জাবাৰীৰ পূৰবী ডেইৰীৰ চৌহদত দুগ্ধ সমবায় সমিতিখনৰ সম্প্রসাৰণৰ ভূমিপূজন কৰা হয়। উল্লেখযোগ্য যে দুগ্ধ প্র-সংস্কৰণ প্রকল্পত গাখীৰ যোগান ধৰা গো-পালকসকললৈ ৰাজ সাহায্য প্রদানৰ এই আঁচনিৰ প্রথম পর্যায়ত ৫৪২ খন দুগ্ধ সমবায় সমিতি আৰু ১৯ হাজাৰ ৩০ গৰাকী দুগ্ধ উৎপাদক উপকৃত হ'ব। ৰাজ্য চৰকাৰে দুগ্ধ খণ্ডৰ উন্নয়নৰ বাবে ভালেমান পদক্ষেপ গ্রহণ কৰিছে। অসম দুগ্ধ উন্নয়ন পৰিকল্পনাৰ অধীনত দৈনিক ১০ লাখ লিটাৰ গাখীৰৰ প্র-সংস্কৰণৰ বাবে ৰাজ্য চৰকাৰ আৰু ৰাষ্ট্রীয় দুগ্ধ উন্নয়ন পৰিষদৰ যৌথ অংশীদাৰিত্বত এন ই ডি এফ এল নামৰ এটা কোম্পানীৰ পঞ্জীয়ন কৰা হৈছে। যোৰহাট আৰু ডিব্রুগড়ত প্রতিদিনে এক লাখ লিটাৰ আৰু ধেমাজিত প্রতিদিনে ৫০ হাজাৰ লিটাৰৰ তিনিটা বৃহৎ গাখীৰ প্র-সংস্কৰণ প্রকল্প স্থাপনৰ বাবে এই প্রতিষ্ঠানটোক ভূমি আৰু প্রাৰম্ভিক কামকাজৰ বাবে তিনি কোটি টকাৰ আবণ্টন দিয়া হৈছে। তদুপৰি বীজ ধন আঁচনিৰ অধীনত ১৪৪ খন দুগ্ধ সমবায় সমিতিৰ গো-পালকক সাহায্য প্রদানৰ লগতে স্থানীয়ভাৱে গঠন হোৱা ১৫ খন এনে সমিতিক যাৱতীয় সঁজুলি প্রদান কৰা হৈছে।

০০০০০

জাগীৰোড আৰু গুজৰাটৰ চেমিকনডাক্টৰ প্রকল্পত ছীপছ উৎপাদন কৰাৰ বাবে টাটা ইলেকট্রনিক্সে জার্মান ইঞ্জিনিয়াৰিং কোম্পানী ৰবার্ট বছ জি এম বি এইচৰ সৈতে চুক্তিবদ্ধ হৈছে। এই সহযোগিতা চুক্তিৰ আধাৰত টাটা ইলেকট্রনিক্সৰ সৈতে লগ লাগি কোম্পানীটোৱে অসম আৰু গুজৰাটত স্থাপন হ'বলগীয়া ছেমিকনডাক্টৰ উদ্যোগত পেকেজিং আৰু উৎপাদনৰ উপৰি যন্ত্রাংশৰ একত্রিকৰণ আৰু পৰীক্ষণ উদ্যোগ স্থাপন কৰিব। টাটা ইলেকট্রনিক্সৰ মুখ্য কার্যবাহী বিষয়া তথা পৰিচালন সঞ্চালক ৰণধীৰ ঠাকুৰ আৰু বছ কোম্পানীৰ কার্যবাহী উপাধ্যক্ষ দির্ক ক্রেছে এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। উল্লেখযোগ্য যে জাগীৰোডত টাটাৰ উদ্যোগত ছেমিকনডাক্টৰ উদ্যোগ স্থাপনৰ কাম পূর্ণ গতিত আগবাঢ়িছে। এয়া  হ'ব দেশৰ প্রথমটো ঘৰুৱাভাৱে উৎপাদিত গ্রীনফিল্ড ছেমিকনডাক্টৰ যন্ত্রাংশৰ একত্রিকৰণ আৰু পৰীক্ষণ উদ্যোগ।

০০০০০

চিৰাং জিলা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ উদ্যোগত আজি কাজলগাঁওস্থিত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এটা কাৰ্যসূচীত কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই জিলাখনৰ অংগনবাড়ী কৰ্মীসকলক স্মাৰ্ট মোবাইল ফোন প্ৰদানৰ শুভাৰম্ভ কৰে। জিলাখনৰ মুঠ এহেজাৰ ২৯ গৰাকী অংগনবাড়ী কৰ্মীক স্মাৰ্ট মোবাইল ফোন প্ৰদান কৰা হ'ব। এই অনুষ্ঠানতে চিৰাং জিলাৰ মুঠ ৫ হাজাৰ ১৩১গৰাকী জনজাতীয় লোকক বনাঞ্চলৰ ভূমি অধিকাৰৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীৰ বিশেষ সাহায্য পুঁজিৰ পৰা চাৰিগৰাকী লোকক চিকিৎসা আৰু উচ্চ শিক্ষাৰ বাবে ২০ হাজাৰকৈ টকাৰ চেক প্ৰদান কৰা হয়। চিৰাঙৰ পানবাৰীত প্ৰগতিশীল কৃষক পদ্মশ্ৰী সৰ্বেশ্বৰ বসুমতাৰীলৈ কেন্দ্ৰীয় চৰকাৰে প্ৰেৰণ কৰা আয়ুষ্মান গোল্ডেন কাৰ্ডো মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানতে প্ৰদান কৰে। অনুষ্ঠানত স্থানীয় বিধায়ক, বি টি চিৰ কাৰ্যবাহী সদস্য আৰু চিৰাং জিলাৰ আয়ুক্ত যতীন বৰাসহ ভালেসংখ্যক বিষয়া-কৰ্মচাৰী আৰু অংগনবাড়ী কৰ্মী উপস্থিত থাকে।

০০০০০

দক্ষিণ শালমাৰা মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কোকৰাদাঙা অঞ্চলত আজি পুৱাৰে পৰা ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভয়াবহ ৰূপ লয়। আমাৰ মানকাচৰৰ সংবাদদাতাই জনোৱা মতে খহনীয়াৰ বাবে দুটা পৰিয়ালক নিৰাপদ ঠাইলৈ স্থানান্তৰ কৰা হয়। এই খহনীয়াই বাংলাদেশ সীমান্ত সংযোগী পথলৈ ভাবুকি কঢ়িয়াই আনিছে বুলি আমাৰ সংবাদদাতাই জনাইছে। মানকাচৰৰ বিধায়ক আমিনুল ইছলামে আজি খহনীয়াগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি জলসম্পদ বিভাগৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। জলসম্পদ বিভাগে তাৎক্ষণিকভাৱে দুহেজাৰ জিঅ' বেগেৰে খহনীয়া প্ৰতিৰোধৰ চেষ্টা চলায়।

০০০০০

বৰপেটা জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত ১৩ বছৰ অনুৰ্দ্ধৰ ল'ৰা আৰু ছোৱালী গ্ৰীষ্মকালীন ক্ৰিকেট প্ৰশিক্ষণ শিবিৰৰ আজি সামৰণি পৰে। এই উপলক্ষে বৰপেটা জিলা ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত আয়োজিত সামৰণি অনুষ্ঠানত প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে সভাপতিত্ব কৰে। কেইবাগৰাকীও অভিজ্ঞ প্ৰশিক্ষকে প্ৰশিক্ষণ প্ৰদান কৰা ১৫ দিনীয়া এই শিবিৰত ২০০গৰাকী ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰে আৰু তেওঁলোকৰ মাজৰ পৰাই ৩০গৰাকীক পৰৱৰ্তী প্ৰশিক্ষণৰ বাবে বাছনি কৰা হয়।

০০০০০

কামৰূপ জিলাৰ হাজোত আজি অসম অলিম্পিক সন্থাৰ অনুমোদিত ছটোকাম কাৰাটে ড' অৰ্গেনাইজেছন অসমৰ উদ্যোগত কালাৰ বেল্ট পৰীক্ষা অনুষ্ঠিত হয়। প্ৰায় ডেৰ শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰা বেল্ট পৰীক্ষাৰ অন্তত উত্তীৰ্ণ খেলুৱৈসকলক বেল্ট প্ৰদান কৰা হয়।

০০০০০

সমাপ্ত